No. of Printed Pages—4

125/128 (ASPP/RAR)

[20–HKPGDEO–M4S(O)21J]

MA 4th Semester (Old) Exam., 2020

ASSAMESE

[MAS (S4) 14 (Lit)]

(অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০* শব্দৰ ভিতৰত) : ২×৫=১০

(ক) অসমীয়া কাব্য-সাহিত্যলৈ 'মণিদীপ' আলোচনীখনৰ অৱদান সম্পৰ্কে লিখক।

(খ) নীলমণি ফুকনৰ কবিতাত প্ৰতীকৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখক।

(গ) দেৱকান্ত বৰুৱাক কিয় 'যুগসন্ধিৰ কবি' বুলি কোৱা হয়?

(ঘ) অৰুণোদই যুগৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি টোকা লিখক।

(ঙ) ৰজনীকান্ত বৰদলৈক কিয় অসমীয়া স্কট বুলি কোৱা হয়?

(চ) সূর্যকুমাৰ ভূঞাৰ গল্প সম্পৰ্কে এটি টোকা লিখক।

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *১৫০* শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখক।

(খ) ''হোমেন বৰগোহাঞিৰ গল্পত ফ্ৰয়েদীয় মনস্তত্ত্ব আৰু অস্তিত্ববাদৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।'' কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

(গ) অসমীয়া নাটকত বার্টল্ড ব্রেখ্‌ট্‌ৰ প্রভাৱ সম্পর্কে চমুকৈ লিখক।

(ঘ) জ্যোতিপ্রসাদ আগৰৱালাৰ 'ৰূপালীম' নাটখনত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা আগবঢ়াওক।

৩। তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় *২৫০* শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) ''১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈকে আধুনিক অসমীয়া নাটকত ইংৰাজ নাট্যকাৰ উইলিয়াম শ্বেইক্সপীয়েৰৰ একক প্রভাৱ দেখিবলৈ পোৱা যায়।'' কথাষাৰৰ প্রাসংগিকতা বিশ্লেষণ কৰক।

(খ) প্রফুল্ল দত্ত গোস্বামীৰ উপন্যাসত পাশ্চাত্য প্রভাৱ সম্পর্কে এটি আলোচ যুগুত কৰক।

(গ) অসমীয়া উপন্যাসত চেতনা-স্রোত পদ্ধতিৰ প্রয়োগ সম্পর্কে এটি টোকা প্রস্তুত কৰক।

(ঘ) জোনাকী যুগৰ চুটিগল্পত পাশ্চাত্য প্রভাৱ কিদৰে অনুভূত হয়, আলোচনা কৰক।

৪। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় *৫০০* শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) ''যোদ্ধোত্তৰ যুগত অসমীয়া গল্প-সাহিত্যত নতুনত্বৰ জোৱাৰ উঠে।'' ১৯৪০–১৯৭০ চনৰ ভিতৰত লিখা অসমীয়া চুটিগল্পৰ আধাৰত এই বক্তব্যৰ প্রাসংগিকতা বিচাৰ কৰক।

(খ) সামগ্রিকভাৱে ১৯৭০–২০০০ চনৰ ভিতৰত ৰচিত অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা আগবঢ়াওক।

(গ) যুদ্ধোত্তৰ যুগৰ অসমীয়ালৈ অনূদিত আৰু অভিযোজিত নাটক সম্পর্কে লিখি এই সময়চোৱাৰ অসমীয়া নাটকৰ গতি-প্রকৃতি সম্পর্কে আলোকপাত কৰক।

(ঘ) আধুনিক অসমীয়া কবিতাৰ গতিপ্রকৃতিত পাশ্চাত্য প্রভাৱ সম্পর্কে এটি আলচ যুগুত কৰক।

(ঙ) জোনাকী যুগৰ অসমীয়া কাব্য-সাহিত্যত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰক।

(Continued)